रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰত ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [VOL : 5**

নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

২৮ মাৰ্চ, ২০০৬ তাৰিখে যথাবিদ্যমান

ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ, অধিনিয়ম, ২০০৪ (২০০৫ ৰ ২)

# ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ অধিনিয়ম,২০০৪
## ধাৰাসমূহৰ ক্ৰম

### অধ্যায়-১
### প্ৰাৰম্ভিক


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ | ১ |
| ২। পৰিভাষা | ১ |


### অধ্যায় -২
### ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ


| | |
|---|---|
| ৩। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগৰ গঠন | ২ |
| ৪। অধ্যক্ষ বা আন সদস্য হিচাপে নিযুক্তিৰ বাবে অৰ্হতাসমূহ | ২ |
| ৫। অধ্যক্ষ বা আন সদস্যসমূহৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী | ২ |
| ৬। আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ | ৩ |
| ৭। মঞ্জুৰীৰ পৰা বেতন আৰু ভাত্তা দিয়া হ'ব | ৩ |
| ৮। পদৰিক্তি, ইত্যাদিয়ে আয়োগৰ কাৰ্য্যবাহীসমূহ অবৈধ নকৰিব | ৩ |
| ৯। আয়োগৰ দ্বাৰা বিনিয়মিত কৰা প্ৰক্ৰিয়া | ৩ |


### অধ্যায় -৩
### এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ অধিকাৰ


| | |
|---|---|
| ১০। কোনো অনুসূচিত বিশ্ববিদ্যালয়ৰ শাখাভুক্তি বিচাৰিবলৈ কোনো সংখ্যালঘু শিক্ষামূলক সংস্থাৰ স্থাপন কৰাৰ অধিকাৰ | ৩ |
| ১০ক। এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ, শাখাভুক্তকৰণৰ অধিকাৰ | ৪ |


### অধ্যায় -৪
### আয়োগৰ কৃত্য আৰু ক্ষমতাসমূহ


| | |
|---|---|
| ১১। আয়োগৰ কৃত্য | ৪ |
| ১২। আয়োগৰ ক্ষমতা | ৫ |
| ১২ক। সক্ষম প্ৰাধিকাৰীৰ আদেশৰ বিৰুদ্ধে আপীল | ৫ |
| ১২খ। আয়োগৰ, এখন শিক্ষামূলক সংস্থাত সংখ্যালঘুৰ স্থিতি বিনিশ্চয় কৰাৰ ক্ষমতা | ৫ |
| ১২গ। বাতিল কৰাৰ ক্ষমতা | ৬ |
| ১২ঘ। আয়োগৰ, সংখ্যালঘু শিক্ষামূলক অধিকাৰৰ বঞ্চনাৰ লগত সম্পৰ্কিত বিষয়সমূহৰ অনুসন্ধান কৰাৰ ক্ষমতা | ৬ |
| ১২ঙ। আয়োগৰ, তথ্য ইত্যাদি বিচৰাৰ ক্ষমতা | ৬ |
| ১২চ। অধিকাৰিতাৰ বৰ্জন | ৭ |
| ১৩। অধ্যক্ষৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতাসমূহ | ৭ |

অধ্যায় - ৫

## বিত্তীয় হিচাপ আৰু হিচাপ পৰীক্ষা

পৃষ্ঠা


১৪ । কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া মঞ্জুৰী ৭

১৫ । হিচাপ আৰু হিচাপ পৰীক্ষা ৭

১৬ । বাৰ্ষিক প্ৰতিবেদন ৮

১৭ । বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সংসদত উত্থাপিত কৰা হ'ব ৮


অধ্যায়- ৬

## বিবিধ


১৯ । আয়োগৰ অধ্যক্ষ, সদস্যসমূহ, সচিব, কৰ্মচাৰীবৃন্দ, ইত্যাদি লোকসেৱক হ'ব ৮

২০ । কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া নিৰ্দেশনা ৮

২১ । সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ৮

২২ । অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব ৮

২৩ । প্ৰবিৱৰণ বা তথ্য ৮

২৪ । নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ৮

২৫ । জটিলতা দূৰীকৰণৰ ক্ষমতা ৯

২৬ । নিৰসন আৰু ব্যাবৃত্তি ৯

# ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ অধিনিয়ম, ২০০৪
## (২০০৫ৰ নং ২)

[৬ জানুৱাৰী, ২০০৫]

ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ গঠন কৰিবলৈ আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ পঞ্চ পঞ্চাশত্তম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায়-১

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ। ১। (১) এই অধিনিয়মখন ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ অধিনিয়ম, ২০০৪ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ, জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষত হৈছে।

(৩) ইয়াক, ১১ নবেম্বৰ, ২০০৪ ত বলবৎ হোৱা বুলি গণ্য কৰা হ'ব।

পৰিভাষা। ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,–

(ক) এখন মহাবিদ্যালয়ৰ সম্পৰ্কত ইয়াৰ বৈয়াকৰণিক ৰূপভেদৰ সৈতে একেলগে ''শাখাভুক্ত'' ই এখন [১][x x x] বিশ্ববিদ্যালয়ৰ দ্বাৰা এনে মহাবিদ্যালয়ৰ স্বীকৃতি, ইয়াৰ সৈতে এনে মহাবিদ্যালয়ৰ সহযোগ আৰু ইয়াৰ বিশেষাধিকাৰত এনে মহাবিদ্যালয়ৰ নামভৰ্তিক অন্তৰ্ভুক্ত কৰে ;

[২][(কক) '' সমুচিত চৰকাৰ'' মানে,

(i) সংসদৰ কোনো অধিনিয়মৰ অধীনত ইয়াৰ অধ্যয়নৰ আচঁনিসমূহৰ পৰিচালনাৰ বাবে স্বীকৃতিপ্ৰাপ্ত শিক্ষামূলক সংস্থাৰ সম্পৰ্কত, কেন্দ্ৰীয় চৰকাৰ ; আৰু

(ii) কোনো ৰাজ্যিক অধিনিয়মৰ অধীনত ইয়াৰ অধ্যয়নৰ আচঁনিসমূহৰ পৰিচালনাৰ বাবে স্বীকৃতিপ্ৰাপ্ত আন কোনো শিক্ষামূলক সংস্থাৰ সম্পৰ্কত, কোনো ৰাজ্য চৰকাৰ, যাৰ অধিকাৰিতাত এনে সংস্থা স্থাপন কৰা হৈছে ;

(খ) ''মহাবিদ্যালয়'' মানে সংখ্যালঘু সম্প্ৰদায়ৰ মাজৰ পৰা এজন ব্যক্তি বা ব্যক্তিসমূহৰ গোটৰ দ্বাৰা স্থাপিত বা পৰিচালিত হোৱা (বিশ্ববিদ্যালয় ভিন্ন) এখন মহাবিদ্যালয় বা এখন শিক্ষন সংস্থা ;

(গ) ''আয়োগ'' মানে ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ ;

[২][ (গক) '' সক্ষম প্ৰাধিকাৰী'' মানে সংখ্যালঘুসকলৰ দ্বাৰা তেওঁলোকৰ বাচনিৰ কোনো শিক্ষামূলক সংস্থা স্থাপনৰ বাবে আপত্তি বিহীন প্ৰমাণপত্ৰ মঞ্জুৰ কৰিবলৈ সমুচিত চৰকাৰৰ দ্বাৰা নিযুক্ত প্ৰাধিকাৰী ;

(ঘ) ''উপাধি'' মানে এনে কোনো উপাধি যিটো কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব অনুমোদনসহ এই মৰ্ম্মে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ দ্বাৰা চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয় ;

[২][ (ঘক) '' সংখ্যালঘুসকলৰ শিক্ষামূলক অধিকাৰ '' মানে তেওঁলোকৰ বাচনিৰ শিক্ষামূলক সংস্থা স্থাপন আৰু প্ৰশাসন কৰিবলৈ সংখ্যালঘুসকলৰ অধিকাৰ ;

(ঙ) ''সদস্য'' মানে আয়োগৰ এজন সদস্য আৰু ই অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

---

১। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ ৰ ধাৰা ২ ৰ দ্বাৰা লোপ কৰা হৈছে।

২। একে অধিনিয়মৰ একে ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে।

(চ) এই অধিনিয়মৰ প্ৰয়োজনার্থে ''সংখ্যালঘু'' মানে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনেদৰে অধিসূচিত কৰা কোনো সম্প্ৰদায় ;

(ছ) ১[''সংখ্যালঘু শিক্ষামূলক সংস্থা'' মানে এটা সংখ্যালঘু বা সংখ্যালঘুসকলৰ দ্বাৰা স্থাপিত বা প্ৰশাসিত কোনো মহাবিদ্যালয়ৰ এটা শিক্ষামূলক সংস্থা ; ]

(জ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঝ) ''অৰ্হতা'' মানে এখন বিশ্ববিদ্যালয়ৰ দ্বাৰা অধিনিৰ্ণীত এটা উপাধি বা কোনো আন অৰ্হতা ;

(ঞ) ২[X X X X]

১৯৮৭ৰ ৫২ (ট) '' কাৰিকৰী শিক্ষা''ৰ অখিল ভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ অধিনিয়ম, ১৯৮৭ৰ ধাৰা ২ৰ খণ্ড (ছ)ত আৰোপিত কৰা দৰে অৰ্থ হয় ;

১৯৫৬ৰ ৩ (ঠ) ''বিশ্ববিদ্যালয়'' মানে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২ৰ খণ্ড (চ)ৰ অধীনত পৰিভাষিত এখন বিশ্ববিদ্যালয় আৰু ই সেই অধিনিয়মৰ ধাৰা ৩ৰ অধীনত এখন বিশ্ববিদ্যালয় বুলি গণ্য হোৱা এখন সংস্থা বা উপাধি প্ৰদান বা মঞ্জুৰ কৰিবলৈ সংসদৰ এখন অধিনিয়মৰ দ্বাৰা বিনিৰ্দ্দিষ্টভাৱে ক্ষমতাৰ্পিত এটা সংস্থাক অন্তৰ্ভুক্ত কৰে ।

## অধ্যায়-২

## ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ

**ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগৰ গঠন ।**

৩ ।(১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ অধীনত ইয়ালৈ প্ৰদত্ত ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু আৰোপিত কৰা কৃত্যসমূহ সম্পাদন কৰিবলৈ ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ ৰূপে জ্ঞাত হোৱা এটা নিকায় গঠন কৰিব ।

(২) আয়োগ, অধ্যক্ষ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত হোৱা ৩[তিনিজন] সদস্যৰে গঠিত হ'ব ।

**অধ্যক্ষ বা আন সদস্য হিচাবে নিযুক্তিৰ অৰ্হতা সমূহ।**

৪ ।(১) কোনো ব্যক্তি অধ্যক্ষৰূপে নিযুক্তিৰ বাবে অৰ্হ নহব, যদিহে তেওঁ,-

(ক) এটা সংখ্যালঘু সম্প্ৰদায়ৰ এজন সদস্য নহয় ; আৰু

(খ) এখন উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ নহয় ;

(২) কোনো ব্যক্তি এজন সদস্য হিচাবে নিযুক্তিৰ বাবে অৰ্হ নহব, যদিহে তেওঁ,-

(ক) এটা সংখ্যালঘু সম্প্ৰদায়ৰ এজন সদস্য নহয় ; আৰু

(খ) সু-প্ৰতিষ্ঠিত, সামৰ্থ্যতা আৰু ন্যায় নিষ্ঠাৰ কোনো ব্যক্তি নহয় ।

**অধ্যক্ষ আৰু সদস্য সমূহৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী।**

৫ । (১) প্ৰত্যেক সদস্যই, তেওঁ কাৰ্য্যালয়ত যোগদান কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব ।

(২) এজন সদস্যই কেন্দ্ৰীয় চৰকাৰলৈ, তেওঁ নিজা হস্তাক্ষৰেৰে লিখিতভাৱে যিকোনো সময়তে অধ্যক্ষ পদ বা যথাস্থিতি, সদস্যৰ পদৰ ইস্তফা দিব পাৰে ।

(৩) কেন্দ্ৰীয় চৰকাৰে সদস্যৰ পদৰ পৰা এজন ব্যক্তিক অপসাৰণ কৰিব যদিহে সেই ব্যক্তি-

(ক) অনুন্মুক্ত দেউলীয়া হয় ;

(খ) কোনো অপৰাধৰ বাবে দোষীসাব্যস্ত হৈছে আৰু কাৰাবাসৰে দণ্ডাদেশিত হৈছে, যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত, নৈতিক ভ্ৰষ্টতাত জড়িত ;

১। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ বাবে আয়োগ (সংশোধন) অধিনিয়ম, ২০১০ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ২ৰ দ্বাৰা লোপ কৰা হৈছে।

৩। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০১০ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(গ) বিকৃত চিত্তৰ হয় আৰু এখন সক্ষম ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত কৰা হয় ;

(ঘ) কাৰ্য্য কৰিবলৈ অস্বীকাৰ কৰে বা কাৰ্য্য কৰিবলৈ অসমৰ্থ হয় ;

(ঙ) আয়োগৰ পৰা অনুপস্থিতিৰ চুটি নোপোৱাকৈ আয়োগৰ ক্ৰমবৰ্ত্তী তিনিখন সভাত অনুপস্থিত থাকে ; বা

(চ) কেন্দ্ৰীয় চৰকাৰৰ মতত, অধ্যক্ষ বা সদস্যৰ ক্ষমতাৰ এনে অপব্যৱহাৰ কৰিছে, যাৰ বাবে সেই ব্যক্তিৰ এনে পদৰ নিৰন্তৰতা লোকহিতৰ বাবে হানিকৰ হ'ব ঃ

পৰন্তু কোনো ব্যক্তিক এই খণ্ডৰ অধীনত অপসাৰিত কৰা নহ'ব যেতিয়ালৈকে সেই ব্যক্তিক বিষয়টোৰ শুনানিৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয় ।

(৪) উপ-ধাৰা (২)ৰ অধীনত কাৰিত বা অন্যথাই হোৱা কোনো পদৰিক্তি নতুন মনোনয়নৰ দ্বাৰা পূৰণ কৰা হ'ব আৰু এনেদৰে মনোনীত কোনো ব্যক্তিয়ে, অনবসিত কালৰ বাবে পদ ধাৰণ কৰিব যিটোৰ বাবে পদত তেওঁৰ উত্তৰাধিকাৰীৰ পদ ধাৰণ কৰিলেহেঁতেন যদি এনে পদৰিক্তি উদ্ভৱ নহ'লহেঁতেন ।

(৫) অধ্যক্ষ বা সদস্যসকলক দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী এনে হ'ব যিদৰে বিহিত কৰা হয় ।

আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ

৬। (১) কেন্দ্ৰীয় চৰকাৰে আয়োগক, এজন সচিব আৰু এনে আন পদাধিকাৰী আৰু আৰু কৰ্মচাৰীবৃন্দ উপলব্ধিত কৰিব যিদৰে এই অধিনিয়মৰ অধীনত আয়োগৰ কৃত্যসমূহৰ দক্ষতাপূৰ্ণ পালনৰ বাবে আৱশ্যক হয় ।

(২) আয়োগৰ প্ৰয়োজনাৰ্থে নিযুক্ত সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী এনে হ'ব যিদৰে বিহিত কৰা হয় ।

মঞ্জুৰীৰ পৰা বেতন আৰু ভাত্তা আদায় দিয়া হ'ব ।

৭। অধ্যক্ষ আৰু সদস্য সমূহক দিবলগীয়া বেতন আৰু ভাত্তা আৰু ধাৰা ৬ত নিৰ্দ্দেশিত সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক দিবলগীয়া বেতন, ভাত্তা আৰু অৱসৰকালীন ভাত্তাসমূহক অন্তৰ্ভুক্ত কৰি, প্ৰশাসনীয় ব্যয়, ধাৰা ১৪ ৰ উপধাৰা (১) ত নিৰ্দ্দেশিত মঞ্জুৰীৰ পৰা আদায় দিয়া হ'ব ।

পদৰিক্তি, ইত্যাদিয়ে আয়োগৰ কাৰ্য্যবাহীক অবিধিমান্য নকৰিব।

৮। আয়োগৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী, আয়োগৰ গঠনত থকা কেৱল কোনো পদৰিক্তি বা ত্ৰুটীৰ বিদ্যমানতাৰ আধাৰত প্ৰশ্নগত নহ'ব বা অবৈধ নহ'ব ।

আয়োগৰ দ্বাৰা বিনিয়মিত কৰা প্ৰক্ৰিয়া

৯।(১) আয়োগ, অধ্যক্ষই, উচিত বুলি ভবা এনে সময়ত আৰু স্থানত বহিব যেতিয়া প্ৰয়োজন হয় ।

(২) আয়োগে ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিব ।

(৩) আয়োগৰ সকলো আদেশ আৰু বিনিশ্চয়, সচিবৰ দ্বাৰা বা সচিবৰ দ্বাৰা এই মৰ্ম্মে সম্যকৰূপে প্ৰাধিকৃত আয়োগৰ কোনো আন পদাধিকাৰীৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব ।

## [1][ অধ্যায়-৩]

### এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ অধিকাৰ

এখন সংখ্যালঘু শিক্ষামূলক সংস্থা স্থাপন কৰাৰ অধিকাৰ ।

১০।(১) কোনো ব্যক্তি যিয়ে এখন সংখ্যালঘু শিক্ষামূলক সংস্থা স্থাপন কৰিবলৈ ইচ্ছা কৰে, উক্ত প্ৰয়োজনাৰ্থে আপত্তিবিহীন প্ৰমাণপত্ৰৰ মঞ্জুৰীৰ বাবে সক্ষম প্ৰাধিকাৰীলৈ আবেদন কৰিব পাৰে ।

(২) সক্ষম প্ৰাধিকাৰীয়ে,-

(ক) দস্তাবেজসমূহ, শপতপত্ৰ বা আন সাক্ষ্যৰ পৰিশীলনত যদি কিবা থাকে ; আৰু

(খ) আবেদনকাৰীক শুনানীৰ এটা সুযোগ দিয়াৰ পিচত উপধাৰা (১)ৰ অধীনত দাখিল কৰা প্ৰত্যেক আবেদন যথা সম্ভৱ শীঘ্ৰতাৰে বিনিশ্চিত কৰিব আৰু আবেদন মঞ্জুৰ বা যথাস্থিতি অগ্ৰাহ্য কৰিব ঃ

পৰন্তু য'ত এখন আবেদন পৰিশীলনত অগ্ৰাহ্য কৰা হয়, সক্ষম প্ৰধিকাৰীয়ে আবেদনকাৰীক সেইটো অৱগত কৰিব ।

---

১। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছে ।

(৩) য'ত এখন আপত্তিবিহীন প্ৰমাণপত্ৰৰ মঞ্জুৰীৰ বাবে উপধাৰা (১) ৰ অধীনত আবেদন প্ৰাপ্তিৰ পৰা নব্বৈ দিনৰ কোনো কালৰ ভিতৰত ;—

(ক) সক্ষম প্ৰাধিকাৰীয়ে এনে প্ৰমাণপত্ৰ মঞ্জুৰ নকৰে ; বা

(খ) য'ত এখন আবেদন অগ্ৰাহ্য কৰা হৈছে আৰু সেইটো ব্যক্তিজনলৈ অৱগত কৰা হোৱা নাই, যিজনে এনে প্ৰমাণপত্ৰৰ মঞ্জুৰীৰ বাবে আবেদন কৰিছে, সক্ষম প্ৰাধিকাৰীয়ে এখন আপত্তি বিহীন প্ৰমাণপত্ৰ আবেদকলৈ মঞ্জুৰ কৰিছে বুলি গণ্য কৰা হ'ব ।

(৪) আবেদনকাৰীয়ে এখন আপত্তি বিহীন প্ৰমাণপত্ৰৰ মঞ্জুৰীত বা য'ত সক্ষম প্ৰাধিকাৰীক এখন আপত্তি বিহীন প্ৰমাণ পত্ৰ মঞ্জুৰ কৰিছে বুলি গণ্য কৰে তেওঁ তৎসময় বলবৎ কোনো বিধিৰ দ্বাৰা বা অধীনত প্ৰণীত নিয়মাৱলী আৰু যথাস্থিতি বিনিয়মাৱলীৰ অনুসৰণত সংখ্যালঘু শিক্ষামূলক সংস্থাৰ প্ৰাৰম্ভ আৰু অগ্ৰসৰ কৰিবলৈ হক্‌দাৰ হ'ব ।

**স্পষ্টীকৰণ** — এই ধাৰাৰ প্ৰয়োজনাৰ্থে, —

(ক) ''আবেদনকাৰী'' মানে কোনো ব্যক্তি যিয়ে এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ স্থাপনৰ বাবে উপধাৰা (১) ৰ অধীনত আবেদন কৰে ;

(খ) ''আপত্তিবিহীন প্ৰমাণপত্ৰ'' মানে সক্ষম প্ৰাধিকাৰীৰ, কোনো সংখ্যালঘু শিক্ষামূলক সংস্থা স্থাপনত কোনো আপত্তি নাই বুলি বৰ্ণনা কৰা এখন প্ৰমাণপত্ৰ ।

এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ শাখাভুক্ত কৰণৰ অধিকাৰ।

১০ক । (১) এখন সংখ্যালঘু শিক্ষামূলক সংস্থাই, এই অধিনিয়মৰ ভিতৰত অনুমোদনযোগ্য হোৱা এনে শাখাভুক্তিৰ সাপেক্ষে ইয়াৰ বাচনিৰ কোনো বিশ্ববিদ্যালয়ৰ শাখাভুক্তি বিচাৰিব পাৰে যাৰ অধীনত উক্ত বিশ্ববিদ্যালয় স্থাপিত হয় ।

(২) সংখ্যালঘু শিক্ষামূলক সংস্থাৰ দ্বাৰা ইয়াৰ হ'কে প্ৰাধিকৃত কৰা কোনো ব্যক্তিয়ে বিশ্ববিদ্যালয়ৰ পৰিনিয়ম, অধ্যাদেশ, নিয়মাৱলী বা বিনিয়মাৱলীৰ দ্বাৰা বিহিত ৰীতিত এখন বিশ্ববিদ্যালয়লৈ উপধাৰা (১)ৰ অধীনত শাখাভুক্তিৰ বাবে এখন আবেদন দাখিল কৰিব পাৰে ঃ

পৰন্তু এনে প্ৰাধিকৃত ব্যক্তিৰ এনে আবেদনৰ দাখিলৰ তাৰিখৰ পৰা ষাঠি দিনৰ অৱসানৰ পিচত এনে আবেদনৰ স্থিতি জানিবলৈ অধিকাৰ থাকিব ।

## অধ্যায়-৪

### আয়োগৰ কৃত্য আৰু ক্ষমতা

আয়োগৰ কৃত্য।

১১ । সম্প্ৰতি বলবৎ আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও, আয়োগে—

(ক) ইয়ালৈ নিৰ্দ্দেশিত কৰা সংখ্যালঘুৰ শিক্ষাৰ সম্পৰ্কে থকা কোনো প্ৰশ্নৰ ওপৰত কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰক পৰামৰ্শ দিব ;

[1][(খ) তেওঁলোকৰ বাচনিৰ শিক্ষামূলক সংস্থা স্থাপন আৰু প্ৰশাসন কৰিবলৈ সংখ্যালঘুৰ অধিকাৰৰ বঞ্চনা বা উলঙ্ঘনৰ সম্বন্ধত কোনো সংখ্যালঘু শিক্ষামূলক সংস্থা বা কোনো ব্যক্তিৰ দ্বাৰা ইয়াৰ হ'কৈ দাখিল কৰা কোনো আপত্তি আৰু কোনো বিশ্ববিদ্যালয়লৈ শাখাভুক্তিৰ সম্পৰ্কত থকা কোনো বিবাদ স্ববিবেকানুসাৰে বা এখন আবেদনৰ ওপৰত তদন্ত কৰিব আৰু ইয়াৰ প্ৰয়োগৰ বাবে সমুচিত চৰকাৰলৈ ইয়াৰ সিদ্ধান্ত সমূহৰ প্ৰতিবেদন দিব ।

(গ) এনে ন্যায়ালয়ৰ অনুমতি সহ কোনো ন্যায়ালয়ত সংখ্যালঘুৰ শিক্ষামূলক অধিকাৰৰ বঞ্চনা বা উলঙ্ঘনত জড়িত কোনো কাৰ্য্যবাহীত হস্তক্ষেপ কৰিব ;

(ঘ) সংখ্যালঘুৰ শিক্ষামূলক অধিকাৰৰ ৰক্ষণৰ বাবে সংবিধান বা তৎকালিন বলবৎ কোনো বিধিৰ দ্বাৰা বা অধীনত উপবন্ধিত সুৰক্ষাৰ পুনৰীক্ষণ কৰিব আৰু সেইবোৰৰ প্ৰভাৱমূলক প্ৰয়োগৰ বাবে ব্যৱস্থা অনুমোদন কৰিব ;

(ঙ) সংখ্যালঘুৰ স্থিতি আৰু সংখ্যালঘুৰ দ্বাৰা স্থাপিত তেওঁলোকৰ বাচনিৰ সংস্থাবোৰৰ বৈশিষ্ট্য উন্নীত আৰু সংৰক্ষণ কৰিবলৈ ব্যৱস্থা বিনিৰ্দ্দিষ্ট কৰিব ;

১ । ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ(সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত কৰা হৈছে।

(চ) সংখ্যালঘু শিক্ষামূলক সংস্থা ৰূপে কোনো সংস্থাৰ স্থিতি সম্পৰ্কে সকলোবোৰ প্ৰশ্ন বিনিশ্চিত কৰিব আৰু এনেদৰে ইয়াৰ স্থিতি ঘোষণা কৰিব ;

(ছ) সংখ্যালঘুৰ শিক্ষামূলক সংস্থা সম্পৰ্কিত কাৰ্যসূচী আৰু আঁচনিৰ প্ৰভাৱমূলক প্ৰয়োগৰ বাবে সমুচিত চৰকাৰক চুপাৰিছ কৰিব ;

(জ) আয়োগৰ সকলো বা কোনো উদ্দেশ্য প্ৰাপ্তিলৈ আৱশ্যক, আনুষঙ্গিক বা সহায়ক এনে হোৱা আন কাৰ্য আৰু ব্যৱস্থা কৰিব ।]

আয়োগৰ ক্ষমতা।

১২। (১) যদি এনে বিশ্ববিদ্যালয়ত ইয়াৰ শাখাভুক্তিৰ সম্পৰ্কত এখন সংখ্যালঘু শিক্ষামূলক সংস্থা আৰু [1][X X X X] বিশ্ববিদ্যালয়ৰ মাজত কোনো বিবাদৰ উদ্ভৱ হয়, তাৰ ওপৰত এখন আয়োগৰ বিনিশ্চয় চূড়ান্ত হ'ব ।

(২) আয়োগৰ, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয়ৰ এটা বাদ বিচাৰ কৰিবলৈ আৰু বিশেষতঃ নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত সকলো ক্ষমতা থাকিব, অৰ্থাৎ ঃ-

(ক) ভাৰতৰ কোনো ভাগৰ কোনো ব্যক্তিৰ উপস্থিতিৰ চমন কৰা আৰু বলবৎ কৰা আৰু তেওঁক শপথত পৰীক্ষা কৰা ;

(খ) কোনো দস্তাবেজৰ উদ্ঘাটন আৰু পেচকৰণ অপেক্ষা কৰা ;

(গ) শপতপত্ৰত সাক্ষ্য গ্ৰহণ কৰা ;

১৮৭২ৰ ১ (ঘ) ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ ধাৰা ১২৩ আৰু ১২৪ ৰ উপবন্ধাৱলীৰ সাপেক্ষে, কোনো কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ বা দস্তাবেজ বা এনে অভিলেখ বা দস্তাবেজৰ প্ৰতিলিপি গ্ৰহণ কৰা ;

(ঙ) সাক্ষী বা দস্তাবেজৰ পৰীক্ষণৰ বাবে কমিচন জাৰী কৰা ; আৰু

(চ) আন কোনো বিষয়, যিটো বিহিত কৰা হয় ।

১৮৬০ৰ ৪৫
১৯৭৪ৰ ২

[2][(৩) আয়োগত কৰা প্ৰত্যেক কাৰ্য্যবাহীক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থৰ ভিতৰত আৰু ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হ'ব আৰু আয়োগক, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৫ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হ'ব ।]

সক্ষম প্ৰাধিকাৰীৰ আদেশৰ বিৰুদ্ধে আপীল।

[3][১২ক। (১) এখন সংখ্যালঘু শিক্ষামূলক সংস্থাৰ স্থাপনৰ বাবে সক্ষম প্ৰাধিকাৰীৰ দ্বাৰা ধাৰা ১০ৰ উপধাৰা (২)ৰ অধীনত আপত্তি বিহীন প্ৰমাণপত্ৰৰ মঞ্জুৰ কৰিবলৈ অস্বীকাৰৰ আদেশৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে আয়োগলৈ এনে আদেশৰ বিৰুদ্ধে আপীল কৰিব পাৰে ।

(২) উপধাৰা (১)ৰ অধীনত এটা আপীল আবেদকলৈ প্ৰেৰিত কৰা উপধাৰা (১)ত নিৰ্দ্দেশিত আদেশৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত দাখিল কৰা হ'ব ঃ

পৰন্তু আয়োগে উক্ত ত্ৰিশ দিন কালৰ অৱসানৰ পিচত আপীল গ্ৰহণ কৰিব পাৰে যদি ই সন্তুষ্ট হয় যে সেই সময় ছোৱাৰ ভিতৰত এইটো দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল ।

(৩) আয়োগলৈ কৰা কোনো আপীল এনে প্ৰপত্ৰত কৰা হ'ব যিদৰে বিহিত কৰা হয় আৰু আদেশৰ এটা প্ৰতিলিপি গাঠি দিয়া হ'ব যিটোৰ বিৰুদ্ধে আপীল দাখিল কৰা হৈছে ।

(৪) আয়োগে পক্ষসমূহক শুনাৰ পিচত, প্ৰয়োগসাধ্য হোৱা দৰে, শীঘ্ৰেই এটা আদেশ পাৰিত কৰিব আৰু ইয়াৰ আদেশসমূহক প্ৰভাৱী কৰিবলৈ বা ইয়াৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰত বাধা দিবলৈ বা ন্যায়ৰ পৰিণতিত সুনিশ্চিত কৰিবলৈ আৱশ্যকীয় বা সমীচীন হোৱা এনে নিৰ্দ্দেশনা দিব ।

১৯০৮ৰ ৫ (৫) উপধাৰা (৪)ৰ অধীনত আয়োগৰ দ্বাৰা প্ৰণীত এটা আদেশ আয়োগৰ দ্বাৰা চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰী ৰূপে নিষ্পাদনযোগ্য হ'ব আৰু চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ উপবন্ধাৱলী যথাসাধ্য প্ৰয়োগ হ'ব যিদৰে সেইবোৰ এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰীৰ সম্বন্ধত প্ৰয়োগ হয় ।

আয়োগৰ, এখন শিক্ষামূলক সংস্থাত সংখ্যালঘুৰ স্থিতিৰ বিনিশ্চয় কৰাৰ ক্ষমতা।
১৯৯২ৰ ১৯

১২খ। (১) ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ অধিনিয়ম, ১৯৯২ ত থকা উপবন্ধসমূহত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ য'ত কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ দ্বাৰা স্থাপিত এটা প্ৰাধিকৰণে কোনো শিক্ষামূলক সংস্থাত সংখ্যালঘুৰ স্থিতিৰ মঞ্জুৰীৰ বাবে, এনে স্থিতিৰ মঞ্জুৰীৰ বাবে কৰা এনে আবেদন অগ্ৰাহ্য কৰে, ব্যথিত ব্যক্তিয়ে, আয়োগলৈ প্ৰাধিকৰণৰ এনে আদেশৰ বিৰুদ্ধে আপীল কৰিব পাৰে ।

১। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৫ৰ দ্বাৰা লোপ কৰা হৈছে।
২। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম ২০০৬ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে।
৩। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে।

(২) উপধাৰা(১)ৰ অধীনত এটা আপীল, আবেদকলৈ আদেশ প্ৰেৰণ কৰা তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত কৰিব ঃ

পৰন্তু আয়োগে উক্ত ত্ৰিশ দিন কালৰ অৱসানৰ পিচত এটা আপীল গ্ৰহণ কৰিব পাৰে, যদি ই সন্তুষ্ট হয় যে সেই কালছোৱাৰ ভিতৰত ইয়াক দাখিল নকৰাৰ পৰ্যাপ্ত কাৰণ আছিল।

(৩) আয়োগলৈ কৰা কোনো আপীল এনে প্ৰপত্ৰত কৰা হ'ব যিদৰে বিহিত কৰা হয় আৰু আদেশৰ এটা প্ৰতিলিপি গাঠি দিয়া হ'ব যিটোৰ বিৰুদ্ধে আপীল দাখিল কৰা হৈছে।

(৪) উপধাৰা (৩) ৰ অধীনত আপীলৰ প্ৰাপ্তিত আয়োগে, আপীলৰ পক্ষসমূহক শুনানীৰ সুযোগ দিয়াৰ পিচত [1][X X X X] শিক্ষামূলক সংস্থাৰ সংখ্যালঘুৰ স্থিতি বিনিশ্চয় কৰিব আৰু এনে নিৰ্দ্দেশ দিবলৈ অগ্ৰসৰ হব যিদৰে ই উচিত গণ্য কৰে আৰু এনে সকলো নিৰ্দ্দেশ পক্ষসমূহৰ ওপৰত আৱদ্ধ থাকিব।

**স্পষ্টীকৰণ**- এই ধাৰা আৰু ধাৰা ১২ গৰ প্ৰয়োজনাৰ্থে ''প্ৰাধিকাৰী'' মানে কোনো প্ৰাধিকাৰী বা পদাধিকাৰী বা আয়োগ যিটো, এটা শিক্ষামূলক সংস্থাৰ সংখ্যালঘুৰ স্থিতিৰ এখন প্ৰমাণপত্ৰৰ মঞ্জুৰীৰ প্ৰয়োজনাৰ্থে সম্প্ৰতি বলবৎ আন কোনো বিধিৰ অধীনত বা সমুচিত চৰকাৰৰ কোনো আদেশৰ অধীনত স্থাপন কৰা হয়।

বাতিল কৰাৰ ক্ষমতা।

১২গ। আয়োগে, কোনো সংখ্যালঘু শিক্ষামূলক সংস্থাক শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়াৰ পিচত, য'লৈ সংখ্যালঘুৰ স্থিতি, প্ৰাধিকাৰী বা যথাস্থিতি আয়োগৰ দ্বাৰা মঞ্জুৰ কৰা হৈছে, নিম্নলিখিত পৰিস্থিতিসমূহৰ অধীনত এনে স্থিতি বাতিল কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) যদি শিক্ষামূলক সংস্থাৰ গঠন, লক্ষ্য আৰু বিষয়বস্তু যিবোৰে ইয়াক সংখ্যালঘুৰ স্থিতি লাভ কৰিবলৈ সমৰ্থ কৰে, পৰৱৰ্ত্তীভাৱে এনে ব্যৱস্থাত সংশোধন কৰা হৈছে যে সংখ্যালঘু শিক্ষামূলক সংস্থাৰ প্ৰয়োজন বা বৈশিষ্ট্যত দীৰ্ঘদিনলৈ প্ৰতিফলন নকৰে।

(খ) যদি, পৰিদৰ্শন বা অনুসন্ধানৰ কালত অভিলেখসমূহৰ সত্যাৰ্পনত এইটো পোৱা যায় যে সংখ্যালঘু শিক্ষামূলক সংস্থাই শিক্ষাবৰ্ষৰ ভিতৰত নিয়মাৱলী আৰু প্ৰশাসনিক নামভৰ্ত্তিৰ পৰিকল্পনা কৰা বিহিত শতাংশৰ ভিত্তিত সংস্থাত সংখ্যালঘুৰ সম্প্ৰদায়ৰ ছাত্ৰসকলক নামভৰ্ত্তি কৰিবলৈ অসফল হয়।

আয়োগৰ, সংখ্যালঘুৰ শিক্ষামূলক অধিকাৰৰ বঞ্চনাৰ লগত সম্পৰ্কিত বিষয়সমূহৰ অনুসন্ধান কৰাৰ ক্ষমতা।

১২ঘ। (১) আয়োগৰ সংখ্যালঘুৰ শিক্ষামূলক অধিকাৰৰ বঞ্চনাৰ সম্পৰ্কিত অভিযোগৰ অনুসন্ধান কৰিবলৈ ক্ষমতা থাকিব।

(২) আয়োগৰ, এই অধিনিয়মৰ অধীনত কোনো অভিযোগৰ লগত সম্বন্ধিত কোনো অনুসন্ধান পৰিচালনাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ সম্মতিত কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰৰ কোনো পদাধিকাৰীৰ সেৱাসমূহ ব্যৱহাৰ কৰিব পাৰে।

(৩) উপধাৰা (১) ৰ অধীনত অনুসন্ধানৰ প্ৰয়োজনাৰ্থে পদাধিকাৰী যাৰ সেৱাসমূহ ব্যৱহাৰ কৰা হৈছে আয়োগৰ নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ সাপেক্ষে-

(ক) কোনো ব্যক্তিক চমন দিব আৰু উপস্থিতি বলবৎ কৰিব আৰু তেওঁক পৰীক্ষা কৰিব পাৰে ;

(খ) কোনো দস্তাবেজৰ উদ্ঘাৱন আৰু পেশকৰণ অপেক্ষা কৰিব পাৰে ; আৰু

(গ) কোনো কাৰ্য্যালয়ৰ পৰা ইয়াৰ কোনো লোক অভিলেখ বা প্ৰতিলিপি অধিগ্ৰহণ কৰিব পাৰে।

(৪) কোনো পদাধিকাৰী যাৰ সেৱাসমূহ উপধাৰা (২) ৰ অধীনত ব্যৱহাৰ কৰা হয়, আয়োগৰ দ্বাৰা ইয়ালৈ নাস্ত কৰা কোনো বিষয় অনুসন্ধান কৰিব আৰু এনে কালৰ ভিতৰত ইয়াৰ ওপৰত এটা প্ৰতিবেদন দাখিল কৰিব যিদৰে এই মৰ্ম্মে আয়োগৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয়।

(৫) আয়োগে, বৰ্ণিত তথ্যৰ শুদ্ধতাৰ আৰু উপধাৰা (৪)ৰ অধীনত ইয়ালৈ দাখিল কৰা প্ৰতিবেদনত নিশ্চায়ন প্ৰাপ্তিত, যদি কিবা থাকে, সন্তুষ্টি লাভ কৰে আৰু ইয়াৰ প্ৰয়োজনাৰ্থে, আয়োগে এনে অতিৰিক্ত তদন্ত কৰিব পাৰে যিদৰে ই উচিত বুলি ভাৱে।

আয়োগৰ, তথ্য, ইত্যাদিৰ বিচৰাৰ ক্ষমতা।

১২ঙ। (১) আয়োগে, সংখ্যালঘুৰ শিক্ষামূলক অধিকাৰৰ উলঙ্ঘন বা বঞ্চনাৰ অভিযোগৰবোৰ অনুসন্ধান কৰি থকা সময়ত ইয়াৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাৰ দৰে এনে সময়ৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা কোনো আন প্ৰাধিকৰণ বা সংগঠনৰ পৰা তথ্য বা প্ৰতিবেদন বিচাৰিব ঃ

---

১। ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম ২০১০ৰ ধাৰা ৫ৰ দ্বাৰা লোপ কৰা হৈছে।

পৰন্তু-

(ক) যদি তথ্য বা প্ৰতিবেদন আয়োগৰ দ্বাৰা নিয়ত সময়ৰ ভিতৰত পোৱা নাই, ই অভিযোগৰ তদন্ত কৰিবলৈ অগ্ৰসৰ হ'ব ;

(খ) যদি, তথ্য বা প্ৰতিবেদনৰ প্ৰাপ্তিত আয়োগ সন্তুষ্ট হয় যে কোনো অতিৰিক্ত তদন্ত অপেক্ষিত কৰা নহয় বা সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকৰণৰ দ্বাৰা আপেক্ষিত কাৰ্য্যৰ আৰম্ভণ কৰিছে বা লোৱা হৈছে ; ই অভিযোগত অগ্ৰসৰ নহ'ব আৰু তদনুসাৰে অভিযোগকাৰীক জনাব ।

(২) য'ত কোনো তদন্তই এটা লোকসেৱকৰ দ্বাৰা সংখ্যালঘু শিক্ষামূলক অধিকাৰ উলঙ্ঘন বা বঞ্চনাৰ প্ৰতিপন্ন কৰে, আয়োগে, সংশ্লিষ্ট চৰকাৰ বা প্ৰধিকাৰীলৈ, উচিত বিবেচনা কৰা দৰে সংশ্লিষ্ট ব্যক্তি বা ব্যক্তিসমূহৰ বিৰুদ্ধে অনুশাসনমূলক কাৰ্য্যবাহী বা এনে আন কাৰ্য্য ব্যৱস্থা আৰম্ভণ কৰিবলৈ, চুপাৰিছ কৰিব পাৰে ।

(৩) আয়োগে, সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকৰণলৈ, ইয়াৰ চুপাৰিছসহ একেলগে, তদন্তৰ প্ৰতিবেদনৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব আৰু সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকাৰীয়ে এমাহৰ এটা কালৰ ভিতৰত বা এনে অতিৰিক্ত সময়ত যিদৰে আয়োগে অনুমতি দিয়ে, আয়োগলৈ লোৱা কাৰ্য্যব্যৱস্থা বা ইয়াৰ ওপৰত লব লগা বুলি প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা অন্তৰ্ভুক্ত কৰি, প্ৰতিবেদনৰ ওপৰত ইয়াৰ মন্তব্য প্ৰেৰণ কৰিব ।

(৪) আয়োগে ইয়াৰ তদন্তৰ প্ৰতিবেদন আৰু আয়োগৰ চুপাৰিছৰ ওপৰত সংশ্লিষ্ট চৰকাৰ বা প্ৰাধিকৰণৰ দ্বাৰা লোৱা বা লবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা প্ৰকাশ কৰিব ।

অধিকাৰিতাৰ বৰ্জন ।

১২চ। কোনো ন্যায়ালয়ে (সংবিধানৰ অনুচ্ছেদ ২২৬ আৰু ২২৭ ৰ অধীনত অধিকাৰিতা প্ৰয়োগ কৰা উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ বাহিৰেকে) এই অধ্যায়ৰ অধীনত প্ৰণীত কোনো আদেশৰ সম্বন্ধত কোনো বাদ, আবেদন, বা আন কাৰ্য্যবাহী গ্ৰহণ নকৰিব ।

অধ্যক্ষৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা।

১৩। অধ্যক্ষই এনে বিত্তীয় আৰু প্ৰশাসনীয় ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব যিদৰে এই ধাৰাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা তেওঁলৈ ন্যস্ত কৰা হয় ঃ

পৰন্তু অধ্যক্ষৰ, আয়োগৰ কোনো সদস্য বা সচিব বা আন কোনো পদাধিকাৰীলৈ তেওঁ উচিত বুলি ভবা দৰে এনে বিত্তীয় আৰু প্ৰশাসনীয় ক্ষমতাসমূহ অধিৰোপন কৰিবলৈ প্ৰাধিকাৰ থাকিব এনে চৰ্তৰ সাপেক্ষে যে এনে সদস্য বা সচিব বা পদাধিকাৰীয়ে এনে অধিৰোপিত ক্ষমতা কাৰ্য্যকৰী কৰাৰ সময়ত অধ্যক্ষৰ নিৰ্দেশনা, নিয়ন্ত্ৰণ আৰু পৰ্য্যবেক্ষণৰ অধীনত কাৰ্য্য চলাই থাকিব ।

## অধ্যায়-৫

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া মঞ্জুৰী।

১৪। (১) কেন্দ্ৰীয় চৰকাৰে, এই মৰ্ম্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা প্ৰণীত সম্যক বিনিয়োজনৰ পিচত, এনে ধনৰ পৰিমাণ মঞ্জুৰীৰ জৰিয়তে আয়োগলৈ আদায় দিব যিদৰে কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হৈছে বুলি, উচিত বুলি ভাৱে।

(২) আয়োগে, এই অধিনিয়মৰ অধীনত কৃত্যসমূহৰ সম্পাদনৰ বাবে ই উচিত বুলি ভবা দৰে এনে ধনৰ পৰিমাণ ব্যয় কৰিব পাৰে, আৰু এনে পৰিমাণক উপধাৰা (১)ত নিৰ্দেশিত মঞ্জুৰীৰ পৰা দিবলগীয়া ব্যয় হিচাপে ধৰা হ'ব ।

হিচাপ আৰু হিচাপ পৰীক্ষা।

১৫। (১) আয়োগে সঠিক হিচাপ আৰু আন সুসঙ্গত অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰপত্ৰত সঠিক হিচাপ সংৰক্ষণ কৰিব আৰু হিচাপসমূহৰ এটা বাৰ্ষিক বিৱৰণ প্ৰস্তুত কৰিব ।

(২) আয়োগৰ হিচাপসমূহৰ, তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ব্যৱধানত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হ'ব আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত হোৱা কোনো ব্যয় নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকলৈ আয়োগৰ দ্বাৰা দেয় হ'ব ।

(৩) এই অধিনিয়মৰ অধীনত আয়োগৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু কোনো ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একেই অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব, যিদৰে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সাধাৰণতে চৰকাৰী হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সম্বন্ধত থাকে আৰু বিশেষতঃ বহী, হিচাপ সম্পৰ্কত ভাউচাৰ আৰু আন দস্তাবেজ আৰু নথিপত্ৰসমূহৰ পেশকৰণৰ দাবী কৰিবলৈ আৰু আয়োগৰ কোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব ।

বাৰ্ষিক প্ৰতিবেদন।

১৬ । আয়োগে, প্ৰত্যেক বিত্তীয় বৰ্ষৰ বাবে এনে প্ৰপত্ৰত আৰু এনে সময়ত বিহিত কৰা দৰে, পূৰ্ব্ব বিত্তীয় বৰ্ষত ইয়াৰ কাৰ্য্যকলাপসমূহৰ সম্পূৰ্ণ হিচাপ দি ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ তাৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব ।

বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সংসদত উত্থাপিত কৰা হ'ব।

১৭ । কেন্দ্ৰীয় চৰকাৰে ধাৰা ১১ ৰ অধীনত আয়োগৰ দ্বাৰা দিয়া পৰামৰ্শত গ্ৰহণ কৰা কাৰ্য্যৰ স্মাৰক পত্ৰ সৈতে একেলগে বাৰ্ষিক প্ৰতিবেদন কাৰিত কৰিব আৰু এনে কোনো পৰামৰ্শ গ্ৰহণ নকৰাৰ কোনো কাৰণত, যদি কিবা থাকে, আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন, গ্ৰহণ কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব ।

## অধ্যায়-৬

## বিবিধ

১৮ । [1] [X X X]

আয়োগৰ অধ্যক্ষ, সদস্যসমূহ, সচিব কৰ্মচাৰীবৃন্দ ইত্যাদি লোকসেৱক, হব। ১৮৬০ৰ ৪৫

১৯ । আয়োগৰ অধ্যক্ষ, সদস্য, সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য কৰা হ'ব ।

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া নিৰ্দেশ।

২০ । (১) এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত, আয়োগ, ৰাষ্ট্ৰীয় উদ্দেশ্য সম্পৰ্কিত নীতিৰ প্ৰশ্নসমূহত এনে নিৰ্দ্দেশনাৰ দ্বাৰা পৰিচালিত হ'ব, যিদৰে কেন্দ্ৰীয় চৰকাৰ দ্বাৰা ইয়ালৈ দিয়া হয় ।

(২) ৰাষ্ট্ৰীয় উদ্দেশ্য সম্পৰ্কিত এটা প্ৰশ্ন নীতিৰ এটা প্ৰশ্ন হয়নে নহয় সেই বিষয়ে যদি কেন্দ্ৰীয় চৰকাৰ আৰু আয়োগৰ মাজত কোনো বিবাদৰ উদ্ভৱ হয় কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত চূড়ান্ত হ'ব ।

সদ্ বিশ্বাসত লোৱা কাৰ্য্যৰ বাৱস্থা সুৰক্ষা ।

২১ । কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়মৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰ, আয়োগ, অধ্যক্ষ, সদস্যসমূহ, সচিব বা আয়োগৰ কোনো পদাধিকাৰী বা আন কৰ্ম্মচাৰীৰ বিৰুদ্ধে নচলিব ।

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব।

২২ । এই অধিনিয়মৰ উপবন্ধাৱলীৰ সম্প্ৰতি বলবৎ আন কোনো বিধিত বা এই অধিনিয়মৰ ভিন্ন কোনো বিধিৰ বলত প্ৰভাৱ থকা কোনো লেখ্যত, অসঙ্গত কোনো কথা থকা সত্ত্বেও প্ৰভাৱ থাকিব ।

প্ৰবিৱৰণ বা তথ্য।

২৩ । আয়োগে, ইয়াৰ কাৰ্য্যকলাপৰ সম্বন্ধত এনে প্ৰবিৱৰণ বা আন তথ্য কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব যিদৰে কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে অপেক্ষা কৰে ।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

২৪ । (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ উপবন্ধ কৰিব পাৰে, অৰ্থাৎ :-

(ক) ধাৰা ৫ৰ উপধাৰা (৫) ৰ অধীনত অধ্যক্ষ আৰু সদস্যসমূহৰ আৰু ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দলৈ দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

১ । ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৭ৰ দ্বাৰা অনুসূচী লোপ কৰা হৈছে ।

[১][(কক) প্ৰপত্ৰবোৰ যিবোৰত ধাৰা ১২ কৰ উপধাৰা (৩)ৰ আৰু ধাৰা ১২ খ ৰ উপধাৰা (৩) ৰ অধীনত আপীল কৰা হ্ব]

(খ) ধাৰা ১৩ ৰ অধীনত অধ্যক্ষৰ দ্বাৰা কাৰ্য্যকৰী কৰিবলগীয়া বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা ;

(গ) প্ৰপত্ৰ য'ত হিচাপসমূহৰ বাৰ্ষিক বিৱৰণ, ধাৰা ১৫ ৰ উপধাৰা (১) ৰ অধীনত প্ৰস্তুত কৰা হ'ব ;

(ঘ) এনে প্ৰপত্ৰ আৰু সময় য'ত বাৰ্ষিক প্ৰতিবেদন ধাৰা ১৬ ৰ অধীনত প্ৰস্তুত কৰা হ'ব ;

(ঙ) আন কোনো বিষয় যিটো বিহিত হবলগীয়া বা কৰিবলৈ অপেক্ষিত হয় ।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিবেশন চলি থকাৰ সময়ত, এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে, সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ পৰৱৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ ঠিক পূৰ্বে উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম, যথাস্থিতি এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা একেবাৰে প্ৰভাৱহীন হ'ব, সেয়ে হলেও এনে সালসলনি বা ৰদ্‌কৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ হ'ব ।

জটিলতা দূৰীকৰণৰ ক্ষমতা।

২৫ । (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰাত যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহৰ সৈতে অসঙ্গত নোহোৱা এনে উপবন্ধাৱলীৰ প্ৰণয়ন কৰিব যিদৰে জটিলতা দূৰীকৰণৰ বাবে আৱশ্যক বা সমীচীন হোৱা বুলি ইয়াৰ প্ৰতীত হয় ঃ

পৰন্তু এনে কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুই বছৰ কালৰ অৱসানৰ পূৰ্বে দিয়া নহ'ব ।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব ।

নিৰসন আৰু ব্যাবৃত্তি। ২০০৪ৰ ৬

২৬ । (১) ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থা অধ্যাদেশ, ২০০৪ ইয়াৰ দ্বাৰা নিৰসিত ।

(২) উক্ত অধ্যাদেশৰ নিৰসন সত্ত্বেও, উক্ত অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাৰ এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত কৰা বা লোৱা বুলি গণ্য কৰা হ'ব ।

[২][X X X X]

২০০৬ৰ অধ্যাদেশ ১ৰ নিৰসন আৰু ব্যাবৃত্তি ।

[৩][১০ । (১) ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন)ৰ অধ্যাদেশ ইয়াৰ দ্বাৰা নিৰসিত ।

(২) এনে নিৰসন সত্ত্বেও, উক্ত অধ্যাদেশৰ দ্বাৰা যথা সংশোধিত ৰূপে মুখ্য অধিনিয়মৰ অধীনত কৰা কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থা মুখ্য অধিনিয়মৰ অধীনত কৰা বা লোৱা হৈছে বুলি গণ্য কৰা হ'ব, যিদৰে এই অধিনিয়মৰ দ্বাৰা সংশোধিত কৰা হৈছে ।

---

১ । ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে ।

২ । ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ (সংশোধন) অধিনিয়ম, ২০০৬ৰ ধাৰা ৯ৰ দ্বাৰা অনুসূচী লোপ কৰা হৈছে ।

৩ । একে অধিনিয়মৰ ধাৰা ১০ ৰ দ্বাৰা ২০০৬ ৰ অধ্যাদেশ ১ৰ নিৰসন আৰু ব্যাবৃত্তি।

ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় সংখ্যালঘু শিক্ষামূলক সংস্থাৰ আয়োগ অধিনিয়ম, ২০০৪ (২০০৫ৰ অধিনিয়ম সংখ্যা ২)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The National Commission for Minority Educational Institutions Act, 2004 (Act No. 2 of 2005) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts(Central Laws) Act, 1973 (Act No. 50 of 1973).

**SANJAY SINGH**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৪-০৬-১৮*